অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৬২

উত্তৰ দানৰ তাৰিখ : ০৭-০৭-২০২৬

*বিষয়* : তেজপুৰ সমষ্টিৰ মাছমৰীয়া আৰু গো-পালক সকলৰ সন্দৰ্ভত ।

শ্ৰীপৃথ্বিৰাজ ৰাভা, বিধায়ক :

মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তেজপুৰ সমষ্টিৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীত মাছ বেচি জীৱিকা নিৰ্বাহ কৰা দাঁতিকাষৰীয়া মাছমৰীয়াক মাছ মাৰিব বন্ধ কৰাতো সঁচা নে ?

(খ) এনে মাছমৰীয়াক ব্ৰহ্মপুত্ৰত মাছ মাৰিব দিবৰ বাবে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(গ) তেজপুৰ বিধান সভা সমষ্টিৰ অধীনত বন বিভাগৰ মাটিত কিমানটা গৰুখুঁটি আছে ?

(ঘ) সেই গৰুখুঁটি সমূহত বন বিষয়া সকলে গো-পালক সকলক সঘনাই অত্যাচাৰ কৰি থকাটো চৰকাৰ জ্ঞাত নে ?

(ঙ) যদি জ্ঞাত, সেয়া আইনগতভাৱে নিস্পত্তি কৰিবনে ?

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) তেজপুৰ সমষ্টিৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীত মাছ বেচি জীৱিকা নিৰ্বাহ কৰা দাঁতিকাষৰীয়া মাছমৰীয়াক মাছ মাৰিব বন্ধ কৰাতো সঁচা নহয় । কিন্তু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত ষষ্ঠ সংযোজনৰ আৰু বুঢ়া চাপৰি অভয়াৰণ্যৰ প্ৰথম সংযোজন ৰ সীমাৰ ভিতৰতে আইনগতভাৱে নিষিদ্ধ।

(খ) প্ৰযোজ্য নহয় ।

(গ) তেজপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত ষষ্ঠ সংযোজনৰ সীমাৰ ভিতৰত কোনো স্থায়ী গৰুখুঁটি নাই।

(ঘ) প্ৰযোজ্য নহয় ।

(ঙ) প্ৰযোজ্য নহয় ।

****